# AVS FLOOD RELIEF NEWS ON THE LOCAL NEWS PAPERS

## অসম ভেলী বিদ্যালয়ে বালিপৰাৰ বানপীড়িত ৰাইজক বিলালে সাহায্য সামগ্ৰী

**প্ৰতিদিন সেৱা, বালিপৰা, ৬ জুলাই ঃ** শোণিতপুৰ বালিপৰাৰ জৰাসৰ, মানশিৰি নৈৰ বানৰ কবলত পৰা লোকসকলক আজি বালিপৰাৰ অগ্ৰণী শিক্ষানুষ্ঠান অসম ভেলী বিদ্যালয়ে বান সাহায্য-সামগ্ৰী বিতৰণ কৰে। জানিব পৰামতে, আজি বিদ্যালয় কৰ্তৃপক্ষই বালিপৰাৰ বিষ্ণুপুৰ, পাকবিল, বামগাঁও চাহ বাগিচাৰ ঘোঁৰামাৰী লাইনকে আদি কৰি কেইবাঠাইতো বানপীড়িতৰ মাজত চিৰা, মুড়ি, বিস্কুট, ব্ৰেড, মমবাতি, দিয়াচলাই, গুৰ আদি সামগ্ৰী বিতৰণ কৰে। সাহায্য বিতৰণ অনুষ্ঠানত বিদ্যালয় কৰ্তৃপক্ষৰ হৈ মনজিৎ বৰা, দেৱযানী শৰ্মা বৰা, পৰাগ গোস্বামী, অভিজিৎ বৰুৱাৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে বানত কবকবাই থকা লোকসকলৰ সাহায্যৰ বাবে প্ৰশাসন অথবা জনপ্ৰতিনিধিয়ে এইপৰ্যন্ত কোনো পদক্ষেপ লোৱা নাই।

*শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত ভাৰত ত্যাগ আন্দোলনৰ মহাৰজত জয়ন্তীত মুখপত্ৰ উন্মোচনৰ মুহূৰ্ত*

প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য আগবঢ়ায়।

## বানে ধোৱা বগীজুলিত অসম ভেলীৰ সাহায্য প্ৰদান

**বিশেষ বাৰ্তা, তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** ১০ ছেপ্টেম্বৰৰ অভিশপ্ত নিশাটিক আজিও পাহৰিব পৰা নাই বগীজুলিৰ বানাক্ৰান্তই। নিশা ১২ বজাৰ পৰা প্ৰায় ৩ মান বজালৈ হোৱা ধাৰাসাৰ বৰষুণ, বিজুলী গাজনিৰ লগতে চুবুৰীয়া পাহাৰীয়া ৰাজ্য অৰুণাচলৰ পৰা নামি অহা বানৰ ধলে জাবৰ জোঁথৰ, গছৰ টুকুৰা, কাঠ, বাঁহৰ লগতে বোকাময় পলসে বগীজুলি অঞ্চলৰ বাসগৃহসমূহৰ পৰা মানুহ দুনুহ ওলাব নোৱাৰা এক ভয়ংকৰ পৰিৱেশৰ সৃষ্টি কৰে। মৰিয়নি গাঁৱৰ বাসিন্দা বসন্ত শইকীয়াই সেই নিশাৰ ভয়ংকৰ মুহূৰ্তৰ বৰ্ণনা দি কয় কেতিয়াও বানপানীৰে মুখামুখি হোৱা নাছিলো। কৃষিজীৱী মৰিয়নি গাঁৱৰ বাসিন্দাসকল পাহাৰৰ কাষত হোৱা বাবেই এঘাৰ ঘৰ লোক বেছিকৈ ক্ষতিগ্ৰস্ত হয়। অঞ্চলটি কেইবাটি পুখুৰীত বাঁহ জাবৰে দম খোৱাত পুখুৰীসমূহ মীন পালনৰ বাবে অনুপযোগী হৈ পৰে। লগতে পুখুৰীত থকা বহু মাছ জাবৰে মাৰি পেলোৱাৰ লগতে বহু মাছ পানীত উটি যায়। বাঢ়নী পানীয়ে পাণ তামোলৰ বাৰীসমূহতো ক্ষতি কৰে। একপ্ৰকাৰ অৰ্থনৈতিকভাৱে কোঙা কৰি পেলোৱা অঞ্চলবাসীৰ একমাত্ৰ উপাৰ্জনৰ পথ ধান খেতিও জাবৰ-জোথৰ, বালিয়ে পুতি পেলোৱাত নষ্ট হৈছে। বাঢ়নী পানী শুকোৱাৰ লগে লগে জাবৰ জোঁথৰ, মাছ, কুকুৰাকে ধৰি বিভিন্ন বস্তু পচিব ধৰাত এক দুৰ্গন্ধময় পৰিৱেশে অঞ্চলটিত আন এক সমস্যাৰ সৃষ্টি কৰিছে। একেদৰে কুঁৱাসমূহ বানপানীয়ে নষ্ট কৰাত খোৱাপানীৰ সমস্যাই দেখা দিছে। আশ্ৰয় শিবিৰত থকা সময়ত চৰকাৰৰ তৰফৰ পৰা ৫ কিঃগ্ৰাঃ চাউল, ১ কিঃগ্ৰাঃ দাইল, ১ পেকেট নিমখ, ৫ বটল পানী, বিস্কুট ৫ পেকেট দিয়াৰ পাছত আজিলৈ চৰকাৰী সাহায্য দিয়া নাই। সম্প্ৰতি খজুৱতি, পানীয়ে খোৱা, জ্বৰ, পেটৰ ৰোগে দেখা দিয়ে বানে ধোৱা অঞ্চলটিত। গাঁওখনৰ কাষৰে বৈ যোৱা জৰাসৰ নৈক লৈ পুনৰ উৎকণ্ঠা। পুনৰ পাহাৰীয়া ৰাজ্যৰ পানীয়ে জুৰুলা কৰিব নেকি। বালিপৰাস্থিত আৱাসিক বিদ্যালয় অসম ভেলী বিদ্যালয়ে বগীজুলি অঞ্চলত উপস্থিত হৈ শিক্ষয়িত্ৰী-ছাত্ৰ-ছাত্ৰীয়ে ব্লিছিং পাউডাৰ, ফেনাইল, মহ খেদোৱা ধূপ, দিয়াচলাই, কাপোৰ আদি প্ৰায় ৩০০ লোকৰ মাজত বিতৰণ কৰে। বৰাপৰা আঞ্চলিক ছাত্ৰ সন্থা, শোণিতপুৰ জিলা অসম সেনাৰ আহ্বায়ক ৰজনীশ শইকীয়া, জনমত আৰু স্থানীয় যুৱকৰ সহযোগত সামগ্ৰীসমূহ বিতৰণ কৰে। বানপানীৰ পিছত হ'ব লগা পৰিস্থিতিৰ স'তে মোকাবিলা কৰাৰ বাবে কিঞ্চিৎ সাহায্য বুলি উল্লেখ কৰে।

### লখিমপুৰত পুনৰ কিশোৰী নিৰুদ্দেশ

**বিশেষ বাৰ্তা, লখিমপুৰ, ২০ ছেপ্টেম্বৰ ঃ** লখিমপুৰত পুনৰ আন এগৰাকী কিশোৰী নিৰুদ্দেশ হৈ পৰাৰ ঘটনা পোহৰলৈ আহিছে। কিশোৰীগৰাকী হ'ল লখিমপুৰৰ অৰুণাচল সীমান্তৱৰ্তী ৰাজগড় নিৱাসী চন্দন তিগা আৰু প্ৰেমদানী তিগাৰ কন্যা এঞ্জেলিনা তিগা। পৰিয়ালটোৰ একমাত্ৰ কন্যা সন্তান

প্ৰতিদিনৰ অসম

ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা

## ৮ জুলাইত জাগীৰোডত জনজাতি সংগঠনসমূহৰ গণ সমাবেশ


## অসম ভেলী বিদ্যালয়ে বালিপৰাৰ বানপীড়িত ৰাইজক বিলালে সাহায্য সামগ্ৰী

দিনত ১১খন আঁচনি ৰূপায়ণ কৰিব বুলি সদৰী কৰি
কন্যা বিদ্যালয়সমূহৰ গৃহ আৰু শৌচালয় উন্নয়ন,

তেজপুৰস্থিত জিলা সংগ্ৰহালয়ৰ চৌহদ আগ
বছৰত পৰিষ্কাৰ কৰি ৰখাৰ সন্দৰ্ভতো সদৰী



# বানপীড়িতলৈ সাহায্য বালিপৰাৰ অসম ভেলী স্কুলৰ শিক্ষাৰ্থীৰ

**নিয়মীয়া বাৰ্তা, বালিপৰা, ৬ জুলাই :** শোণিতপুৰ বালিপৰাৰ বিস্তীৰ্ণ অঞ্চলত জৰাসৰ, মানশিৰি, কালনী নৈৰ বানৰ কবলত পৰা সহস্ৰাধিক লোকক আজি বালিপৰাৰ অগ্ৰণী শিক্ষানুষ্ঠান অসম ভেলী বিদ্যালয়ে বিদ্যালয়খনৰ সমাজ সেৱা কাৰ্যসূচীৰ অধীনত বান সাহায্য সামগ্ৰী বিতৰণ কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰে। প্ৰাপ্ত তথ্য অনুসৰি, আজি বিদ্যালয় কৰ্তৃপক্ষই বালিপৰাৰ বামগাঁও, বিচনুপুৰ, পাকবিল, যোঁৱামাৰী লাইনকে আদি কৰি কেইবাঠাইতো বানপীড়িত সহস্ৰাধিক ৰাইজৰ মাজত চিৰা, মুড়ি, বিস্কুট, ব্ৰেড, মমবাতি, দিয়াছলাই, গুড় ইত্যাদি বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী লোকসকলক বিতৰণ কৰে লগতে বানৰ পাছত ল'ব লগা স্বাস্থ্য সচেতনতা সন্দৰ্ভত ৰাইজক সচেতন হ'বলৈ আহ্বান জনায়। সাহায্য বিতৰণ অনুষ্ঠানটোত বিদ্যালয় কৰ্তৃপক্ষৰ মনজিং বৰা, দেৱযানী শৰ্মা বৰা, পৰাগ গোস্বামী, অভিজিৎ বৰুদাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে বানৰ বাবে খাদ্য তথা সাহায্যৰ বাবে হাহাকাৰ কৰিবলগীয়া হোৱা বানপীড়িত লোকসকলে আৰু সচেতন ৰাইজে অসম ভেলী বিদ্যালয়ৰ এনে প্ৰচেষ্টাক কৃতজ্ঞতা প্ৰকাশ কৰিছে।

## বগীবিল
## সংযোগী প
## ৰেইনকাট

**নিয়মীয়া বাৰ্তা, চিচিবৰগাঁও,**
: ধেমাজি জিলাৰ কুলাজান
বগীবিল দলংলৈকে সংয
যাই পথত সৃষ্টি হৈছে
ৰেইনকাট। চলিত সপ্তাহটো
ধাৰাসাৰ বৰষুণৰ ফলত সৃ
এই ৰেইনকাট। উল্লেখ্য যে
আৰু লখিমপুৰ জিলা বুকন
দৈনিক হাজাৰ হাজাৰ লোক
পথেৰে ডিব্ৰুগড়মুখী যাত্ৰা
তদুপৰি একাংশ
কুইজাৰচালকে নিজৰ লাভ
গাড়ীৰ বাহিৰে-ভিতৰে যাত্ৰী
নিয়ে। যাৰ বাবে সেই পথত
আশংকা বৃদ্ধি পাইছে। ইতি
মৰণফান্দলৈ পৰ্যবসিত হোৱা
পথৰ ৰেইনকাটত পৰি কেইব
পথচাৰী গুৰুতৰভাৱে আহত
ৰাষ্ট্ৰীয় প্ৰকল্পটোৰ বগীবিল
সংযোগী পথটোত নিৰ্মাণৰ মা
বছৰৰ ভিতৰতে সৃষ্টি হৈছে
অৱস্থা। বিপদসংকুল বিধ্বস্ত পথ
শীঘ্ৰে মেৰামতিৰ দাবী জনাইছে

## লখিম

**নিয়মীয়া বাৰ্তা, ধলপুৰ, ৬**
সাহিত্য সন্মিলনৰ লখিম
জিলাখনত সংস্কৃত দিৱস উ
গ্ৰহণ কৰিছে। সেই উপলক্ষ
লখিমপুৰ জিলা সংস্কৃত সা
ড° তৰুণ শৰ্মাৰ সভাপতি
মাধ্যমিক বিদ্যালয়ত এখন

# সাহায্য বিতৰণ অসমভেলীৰ

# বানাক্ৰান্তৰ চাৰিদুৱাৰত হাহাকাৰ

# উৰা বাতৰিত আতংক

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** যোৱা ১০ ছেপ্টেম্বৰত জৰাসৰ আৰু মানশিৰি নদীৰ আকস্মিক বানত বালিপৰাৰ লগতে চাৰিদুৱাৰ অঞ্চল এক অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈছিল। ইয়াৰে ভিতৰত চাৰিদুৱাৰ মৌজাৰ বগীজুলি আৰু কাষৰীয়া গাঁৱত সৃষ্টি হৈছিল অৱৰ্ণনীয় পৰিস্থিতিৰ। যোৱা ১৮ ছেপ্টেম্বৰত এই বানাক্ৰান্ত অঞ্চলটোৰ জ্ঞানদীপ বিদ্যালয়ৰ প্ৰাংগণত অসমভেলী বিদ্যালয়ে মুঠ ৩৫০টা পৰিয়ালক সাহায্য প্ৰদান কৰে। আছুৰ স্থানীয় গোট আৰু বালিপাৰা-চাৰিদুৱাৰ মৌজাৰ জনমত নামৰ ৰাজহুৱা অনুষ্ঠানটোৰ সহযোগত বালিপৰাস্থিত আৱাসিক বিদ্যালয়খনৰ শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বানত ক্ষতিগ্ৰস্ত হোৱাসকলৰ মাজত কাপোৰ, ব্লিছিং পাউদাৰ, ফেনাইল আদি বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হয়। ইপিনে, অঞ্চলটোৰ এইসকল ৰাইজে প্ৰকাশ কৰা অনুসৰি বানৰ পাছত তেওঁলোকৰ কৃষিপথাৰ, বাসগৃহ আদি জাবৰ-জোঁথৰ, কাঠ-বাঁহ আৰু বোকাই পুতি পেলাইছে। বগীজুলিৰ মৰিয়নী গাঁও নিবাসী বসন্ত শইকীয়া নামৰ লোকজনে এনে ভয়ানক অৱস্থা পূৰ্বে কেতিয়াও প্ৰত্যক্ষ কৰা নাছিল বুলি উল্লেখ কৰে। অৰুণাচলৰ পাহাৰৰ পৰা নামি অহা পানীৰ ধলক লৈ বৰ্তমানেও শংকাত থকা এইসকল বন্যাক্ৰান্তৰ মাজত যোৱা ১৮ ছেপ্টেম্বৰৰ বিয়লি এটা চক্ৰই প্ৰচাৰ চলোৱা উৰা বাতৰিয়ে পুনৰ আতংকৰ সৃষ্টি কৰে। বিশ্বকৰ্মা পূজাৰ দিনটোত বতৰ ডাৱৰীয়া আৰু বিভিন্ন জিলাত ধুমুহা-বৰষুণ হোৱাৰ সুযোগ গ্ৰহণ কৰি বালিপৰা-চাৰিদুৱাৰত অৰুণাচলৰ পৰা পুনৰ পানীৰ প্ৰচণ্ড ধল নামি অহা বুলি প্ৰচাৰ চলাই এই দুষ্ট চক্ৰটোৱে। এই ঘটনাত বহু সংখ্যক লোক পুনৰ আন এক দুৰ্যোগৰ সন্মুখীন হোৱাৰ আশংকাত আতংকিত হৈ পৰে। উল্লেখ্য যে চাৰিদুৱাৰৰ বগীজুলি আৰু পাৰ্শ্ববৰ্তী গাঁওসমূহত পানী শুকোৱাৰ পাছত সম্প্ৰতি পোহনীয়া জীৱ-জন্তুৰ মৃতদেহৰ উৎকট গন্ধৰ উপৰি বানে ক্ষতি কৰা কুঁৱাৰ পানী ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। বন্যাক্ৰান্ত অঞ্চলৰ পথাৰ আৱৰ্জনাই পুতি পেলোৱাৰ লগতে এইসকল লোকক সম্প্ৰতি জ্বৰ, খজুলি আদি ৰোগে জুৰুলা কৰিছে। বানত আক্ৰান্ত হোৱা দিনটোতে পাঁচ কিলো চাউল, পানী, বিস্কুট আদি সাহায্য প্ৰশাসনৰ পৰা লাভ কৰাৰ পাছত সম্প্ৰতি খোৱাপানীৰ ব্যাপক সমস্যাৰ সন্মুখীন হোৱা বুলি প্ৰকাশ কৰিছে এইসকল বন্যাক্ৰান্তই।